# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। সন্ত্ৰাসবাদকে ধৰি যিকোনো ভাবুকিৰ বিৰুদ্ধে উপযুক্ত প্ৰত্যুত্তৰ দিবলৈ ভাৰত দৃঢ় সংকল্পবদ্ধ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দোহাৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দেশৰ ১৫ গৰাকী নাৰ্ছক ৰাষ্ট্ৰীয় ফ্ল'ৰেন্স নাইটিংগেল বঁটা প্ৰদান কৰে।

৩। সংঘৰ্ষজৰ্জৰ গাজাত ইজৰাইলে ৬০ দিনীয়া যুদ্ধ বিৰতিৰ বিষয়ত সন্মতি প্ৰকাশ কৰিছে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰই ঘোষণা কৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশ অঞ্চল আৰু ছিকিমত বৰষুণৰ সম্ভাৱনালৈ চাই আজি আৰু কাইলৈৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাত ৰেড এলাৰ্ট জাৰি কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চণ্ডীগড়ত হ'বলগীয়া এলিমিনেটৰ খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ যুঁজ কেতিয়াও থমকি নৰয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ কাৰাকাটত আয়োজিত এটা অনুষ্ঠানত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে সীমান্তৰ সিপাৰৰ পৰাই হওক অথবা দেশৰ ভিতৰভাগতেই হওক, ভাৰত সন্মুখীন হোৱা যিকোনো ভাবুকিৰ বিৰুদ্ধে উপযুক্ত প্ৰত্যুত্তৰ দিবলৈ দেশখন দৃঢ় সংকল্পবদ্ধ। অপাৰেচন সিন্দূৰৰ জৰিয়তে পাকিস্তানৰ লগতে সমগ্ৰ বিশ্বই ভাৰতৰ জীয়ৰীসকলৰ সেন্দূৰৰ শক্তি আৰু সীমান্ত নিৰাপত্তাবাহিনীৰ শৌৰ্য আৰু সাহসৰ উমান পাইছে বুলি প্ৰকাশ কৰি তেওঁ লগতে কয়, যে এয়া মাথোন আমাৰ তূণত থকা এপাত কাঁড়হে আছিল বুলি শত্ৰুপক্ষই বুজি পোৱা উচিত। সন্ত্ৰাসবাদৰ ৰূপতেই হওক অথবা নক্সালবাদৰ ৰূপতেই হওক, দেশৰ শত্ৰুৰ বিৰুদ্ধে ভাৰতে সদায় কঠোৰ স্থিতি গ্ৰহণ কৰি যাব বুলিও তেওঁ সকীয়াই দিয়ে।

কাৰাকাটত আজি পুৱা আয়োজিত এই অনুষ্ঠানটোত, ৪৮ হাজাৰ ৫২০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে বিহাৰৰ উন্নয়নৰ হকে কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। আজিৰ অনুষ্ঠানত তেওঁ পাঁচ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ ২২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিখৰীয়া পাটনা-গয়া-ডোভি খণ্ডৰ অংশটোকে ধৰি ভালেমান প্ৰকল্প মুকলি কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দেশৰ পোন্ধৰ গৰাকী নাৰ্চক  ৰাষ্ট্ৰপতি ভৱনত  ৰাষ্ট্ৰীয় ফ্ল'ৰেঞ্চ নাইটিংগেল পুৰস্কাৰ ২০২৫ প্ৰদান কৰে। নাছিং ক্ষেত্ৰখনলৈ তেওঁলোকে আগবঢ়োৱা অবিস্মৰণীয় অৱদানৰ স্বীকৃতিস্বৰূপে এই সন্মান আগবঢ়োৱা হয়। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী জে পি নাড্ডা,  ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেল আৰু প্ৰতাপৰাও যাদৱো এই অনুষ্ঠানত উপস্থিত আছিল।  কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰালয়ে ১৯৭৩ চনৰ পৰা ৰাষ্ট্ৰীয় ফ্ল'ৰেঞ্চ নাইটিংগেল পুৰস্কাৰ প্ৰদান কৰি আহিছে। নাছিং ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ স্বীকৃতিস্বৰূপে নাৰ্চসকললৈ এই বঁটা প্ৰদান কৰা হয়।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গোৱাৰ ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত তেওঁ কয়, যে গোৱাৰ সমৃদ্ধিশালী সাংস্কৃতিক ঐতিহ্য, মনোৰম উপকূল সমূহৰ সৌন্দৰ্য, আকৰ্ষণীয় আতিথ্য আৰু আন বিভিন্ন বিষয়ৰ আকৰ্ষণে সমগ্ৰ বিশ্বৰ জনসাধাৰণক ইয়ালৈ হাতবাউল দি মাতি আহিছে। গোৱাৰ সংস্কৃতি আৰু ঐতিহ্যক সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে পৰ্যটক আৰু স্থানীয় বাসিন্দা উভয় পক্ষকে সমিলমিলেৰে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। সমাগত দিনবোৰত ৰাজ্যখন অধিক সমৃদ্ধিশালী হৈ উঠাৰ লগতে এখন বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত গোৱাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

0000000

সংঘৰ্ষজৰ্জৰ গাজাত সামৰিক অভিযান  অব্যাহত ৰখা অৱস্থাতে ইজৰাইলে ৬০ দিনীয়া যুদ্ধ বিৰতিৰ বিষয়ত সন্মতি প্ৰকাশ কৰিছে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰই ঘোষণা কৰিছে। হোৱাইট হাউছৰ প্ৰেছ সচিব কেৰ'লিন লেৱিটে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত এই বিষয়ে নিশ্চিত কৰি দি কয়, যে আমেৰিকাৰ মধ্যপ্ৰাচ্য বিষয়ৰ বিশেষ দূত ষ্টিভ উইটকফে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে মিলি হামাছক যুদ্ধবিৰতি সম্পৰ্কীয় এই প্ৰস্তাৱ দাখিল কৰিছিল। ইজৰাইলে এই প্ৰস্তাৱত সন্মতি ব্যক্ত কৰা বুলিও তেওঁ লগতে প্ৰকাশ কৰে। অৱশ্যে বিষয়টোক লৈ আলাপ-আলোচনা এতিয়াও অব্যাহত আছে বুলি উল্লেখ কৰি এই সন্দৰ্ভত অধিক ব্যাখ্যা কৰিবলৈ তেওঁ অস্বীকাৰ কৰে।

0000000

অসমকে ধৰি উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ঠায়ে ঠায়ে স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। বিশেষকৈ গুৱাহাটী মহানগৰীত পৰহিৰে পৰা হোৱা বৰষুণৰ ফলত কৃত্ৰিম বানে জটিল ৰূপ ধাৰণ কৰিছে। ৰুক্মিণীগাঁও, চানমাৰি,  জু-ৰোড, জি এছ ৰোড, বেলতলাৰ ছাৰ্ভে, হাতীগাঁও আদিকে ধৰি মহানগৰীৰ বিভিন্ন ঠাইত কৃত্ৰিম বানৰ কবলত পৰি জনজীৱন বিপৰ্যস্ত হৈ পৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে ঠায়ে ঠায়ে জনসাধাৰণৰ যাতায়াতৰ বাবে নাৱৰ ব্যৱস্থা কৰাকে ধৰি সক্ৰিয় ভূমিকা পালন কৰা পৰিলক্ষিত হৈছে। তদুপৰি যোৱাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে দুই-তিনিফুট পৰ্যন্ত পানী বাগৰাৰ ফলত উজনি আৰু নামনি অসমৰ মাজত যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱা বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজৰ ফেৰী সেৱাও সাময়িকভাৱে বন্ধ ৰখা হৈছে।

উল্লেখযোগ্য যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি  উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশ অঞ্চল আৰু ছিকিমত বৰষুণৰ সম্ভাৱনালৈ চাই আজি আৰু কাইলৈৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাৰ বাবে ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে পৰৱৰ্তী দুই-তিনি দিনত ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ প্ৰান্তত ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বিভাগটোৰ বতৰা অনুসৰি ওড়িশাৰ উপকূল ভাগৰ সমীপৰ উত্তৰ-পশ্চিম বংগোপসাগৰত নিম্ন চাপৰ সৃষ্টি হৈছে। পৰৱৰ্তী ২৪ ঘণ্টাত এই নিম্ন চাপ গভীৰ নিম্ন চাপলৈ ৰূপান্তৰ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱত কাছাৰ, হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, কোকৰাঝাৰ, চিৰাং, বজালী, বাক্সা, কামৰূপ মহানগৰ, দৰং, ওদালগুৰি, মৰিগাঁও, নগাঁও, হোজাই, শোণিতপুৰ, ডিমা হাচাও, তামুলপুৰ আৰু নলবাৰীত বিজুলী ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে সকীয়াই দিছে। বৰঝাৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যত কেইবাখনো জিলাত ৰেড এলাৰ্ট জাৰি কৰিছে।

০০০০০০০

তিনি দিনীয়া কূটনৈতিক ভ্ৰমণৰ কাৰ্যসূচীৰে চৌদি আৰবলৈ যোৱা ভাৰতৰ সৰ্বদলীয় সংসদীয় প্ৰতিনিধি দলটোৱে কালি তেওঁলোকৰ এই ভ্ৰমণসূচীৰ সামৰণি মাৰে। বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডা নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে সীমান্তৰ সিপাৰৰ পৰা হোৱা শেহতীয়া সন্ত্ৰাসবাদী আক্ৰমণৰ বিৰুদ্ধে নতুন দিল্লীৰ কঠোৰ স্থিতি দোহাৰে। চৌদি আৰবত বসবাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ লগতে দেশখনৰ বিভিন্ন শ্ৰেণীৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হৈ দলটোৱে যোৱা এপ্ৰিলমাহত সংঘটিত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণ আৰু ভাৰতে দিয়া ইয়াৰ প্ৰত্যুত্তৰৰ বিষয়ে ব্যাখ্যা কৰি সন্ত্ৰাসবাদ বিৰোধী যুঁজখনত তেওঁলোকৰ সহযোগিতাৰ বাবে আহ্বান জনায়।

চৌদি আৰব ভ্ৰমণৰ সময়ছোৱাত ভাৰতৰ প্ৰতিনিধি দলটোৱে ৰিয়াধত থকা পাৰশ্য উপসাগৰীয় গৱেষণা কেন্দ্ৰৰ অধ্যক্ষ ড০ আব্দুল আজিজ ছাগেৰ আৰু নাইফ নিৰাপত্তা বিজ্ঞান সম্পৰ্কীয় আৰব ছাগেৰ বিশ্ববিদ্যালয়ৰ অধ্যক্ষ ড০ আব্দুল মজিদ আলবানিয়ানৰ সৈতেও আলোচনা কৰে। তেওঁলোকৰ এই বৈঠকত সীমান্তৰ সিপাৰৰ  সন্ত্ৰাসবাদৰ ফলত ভাৰত সন্মুখীন হৈ অহা তিনি দশকজোৰা সমস্যাৰ বিষয়টোৱেও ঠাই পায়।

উল্লেখযোগ্য যে, সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বিষয়ে বিশ্ববাসীক অৱগত কৰোৱাৰ উদ্দেশ্যৰে ৫৯ গৰাকী সদস্যক লৈ গঠিত সাতটা সৰ্বদলীয় সংসদীয় প্ৰতিনিধি দলে সম্প্ৰতি ৩২ খন দেশ ভ্ৰমণ কৰিছে। কালি চৌদি আৰৱ ভ্ৰমণ সামৰা প্ৰতিনিধি দলটোও এই প্ৰতিনিধি দলসমূহৰে অংশ বিশেষ। সৰ্বদলীয় সংসদীয় দলকেইটাৰ সদস্যসকলে এই ভ্ৰমণৰ জৰিয়তে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতিৰ লগতে সন্ত্ৰাসবাদী কাৰ্যকলাপক যুক্তিসংগত বুলি প্ৰতিপন্ন কৰিবলৈ বিচৰা পক্ষসমূহৰ বিৰুদ্ধেও বিভিন্ন দেশৰ নেতৃবৰ্গৰ সমৰ্থন গোটোৱাৰ চেষ্টা কৰিছে।

০০০০০০০

অপাৰেচন সিন্দূৰ সন্দৰ্ভত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধী আৰু তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে প্ৰকাশ কৰা মন্তব্যৰ বাবে বিজেপিয়ে দলটোক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই সন্ত্ৰাসবাদ বিৰোধী অভিযানটোৰ সন্দৰ্ভত প্ৰকাশ কৰা মন্তব্যৰ জৰিয়তে কংগ্ৰেছৰ নেতা দুগৰাকীয়ে সশস্ত্ৰ বাহিনীৰ মনোবল হ্ৰাস কৰাৰ চেষ্টা কৰা বুলি

অভিযোগ কৰে। তেওঁ কয়, যে ভিন ভিন দেশলৈ যোৱা সৰ্বদলীয় সংসদীয় প্ৰতিনিধি দলকেইটা বিদেশ ভ্ৰমণলৈ যোৱা নাই। আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ মাজত ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী স্থিতিক প্ৰতিনিদিত্ব কৰাৰ উদ্দেশ্যেহে তেওঁলোকে গুৰুত্বপূৰ্ণ অভিযানত অংশগ্ৰহণ কৰিছে বুলি শ্ৰী পাত্ৰই প্ৰকাশ কৰে। কংগ্ৰেছ দলৰ একাংশ নেতা-কৰ্মীয়ে সন্ত্ৰাসবাদ সন্দৰ্ভত পাকিস্তানৰ স্থিতিৰ সৈতে একপ্ৰকাৰ সহমত পোষণ কৰাৰ বিপৰীতে আন একাংশই ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী স্থিতিৰ সৈতে একমত পোষণ কৰা বুলি উল্লেখ কৰি তেওঁ, ইয়াকে লৈ দলটোৰ মাজত মতবিৰোধ হোৱা বুলিও অভিযোগ কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চণ্ডীগড়ত হ'বলগীয়া এলিমিমেটৰ খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোই পহিলা জুনত হ'ব লগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঞ্জাব কিংছৰ সন্মুখীন হ'ব। দ্বিতীয়খন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৱে ৩ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত